# জিকিৰ

— অজান ফকিৰ

**১। চমু উত্তৰ দিয়া :**

**( ক ) জিকিৰৰ ৰচক কোন ?**

**উত্তৰ:** জিকিৰৰ ৰচক হ’ল-আজান ফকিৰ ।

**( খ ) জিকিৰবাোৰক কিহৰ লগত তুলনা কৰিব পাৰি ?**

**উত্তৰ:** জিকিৰবাোৰক হিন্দুৰ ভক্তিমূলক প্ৰাৰ্থনা বা স্তুতিগীতৰ লগত তুলনা কৰিব পাৰি ।

**( গ ) “ জিকিৰ ’ শব্দটো কি শব্দৰ পৰা ওলাইছে ?**

**উত্তৰ :** ‘জিকিৰ ’ শব্দটো আৰবী ‘ জিক ’ শব্দৰ পৰা ওলাইছে ।

**২। তলৰ শব্দবাোৰৰ অৰ্থ লিখা :**

**ৰছুল , মাোমিন , ৰহম , কুটুব , বান্দা ।**
**উত্তৰ :** ৰছুল — দেৱদূত , ঈশ্বৰ প্ৰেৰিত পুৰুষ , আল্লাৰ দূত ।
মাোমিন — বিশ্বাসী মুছলমান ।
ৰহম — দয়া ।
কুটুব — ধ্ৰু , নক্ষত্ৰ ।
বান্দা — ভৃত্য ।

**৩। মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি ।**
**যেনে শালে শ’লৰ লগত দৰিকাৰ টপালি ॥**

— উল্লিখিত কবিতাফাকিৰ অন্তৰ্নিহিত ভাৱটি বিশ্লেষণ কৰা ।

**উত্তৰঃ** উদ্‌ধৃত কাব্যাংশ আজান ফকিৰৰ ৰচিত ‘ ‘জিকিৰ’ নামৰ কবিতাটোৰপৰা দাঙি ধৰা হৈছে ।

উক্ত কাব্যাংশৰ অন্তৰ্নিহিত ভাব হ’ল মনত বেয়া ভাব লৈ হেজাৰ বাৰ মক্কা । দৰ্শন কৰিলেও আল্লাৰ আশীৰ্বাদ লাভ কৰিব নাোৰাৰি । মানুহৰ অন্তৰত দয়া , প্ৰেম । নাথাকিলে বা আমি যদি সকলাে জীৱকে সমদৃষ্টিৰে চাব নাজানাে আমি কেতিয়াও । আল্লাৰ প্ৰিয়পাত্ৰ হ’ব নাোৰাৰোঁ ।

এই দুনিয়াত মানুহে কিন্তু পাপ – পুণ্যৰ সঠিক । বিচাৰ কৰিব নাজানে । বহুতে ভাবে মক্কা দৰ্শন কৰিলে পুণ্য অৰ্জন কৰি বেহেস্তত জীৱই স্থান পায় । কিন্তু সেয়া এক ভ্ৰান্ত ধাৰণা । যিদৰে শাল মাছ এবিধ উত্তম মাছ আৰু শাল হ’ল অভক্ষ বা অখাদ্য ঠিক একেদৰে গাােটেই জীৱনটো পাপ কামত লিপ্ত থাকি শেষ সময়ত মক্কা দৰ্শন কৰি পুণ্য অৰ্জন কৰা ধাৰণাও অৱস্তৱ ।

***৪। ব্যাখ্যা কৰা:***

( ক ) **পানী মৰে পিয়াহত , অগ্নি মৰে জাৰত ।**
**খাােদা ৰছুল লুকাই আছে , মাােমিনৰ আঁৰত ॥**

**উত্তৰ:** উদ্‌ধৃত কাব্যাংশ আজান ফকিৰৰ ৰচিত ‘ জিকিৰ নামৰ কবিতাৰ অন্তৰ্গত । উক্ত কাব্যাংশই সংসাৰ যাত্ৰাত মানুহে যি নিজৰ অজ্ঞতাৰ বাবেই আল্লাক বিচাৰি হাবাথুৰি খাই মৰে অথচ মানৱৰ হৃদয়তে যে আল্লা বিৰাজমান তাকে বুজাইছে ।

পানীয়ে মানুহৰ তৃষ্ণা নিবাৰণ কৰে , অথচ পানীয়ে নিজৰ সেই গুণৰ বিষয়ে নাজানে । সেইদৰে জুইৰ যে উত্তাপ শক্তি আছে সেই কথা জুয়ে নাজানে । ঠিক একেদৰে আপাােন

হৃদয়তে অৱস্থিত ভগৱানক নিজৰ অজ্ঞানতাৰ বাবে মানুহে চিনি নাপায় । অৰ্থাৎ ভগৱানক বিচাৰি আমি দূৰলৈ যাোৱাৰ প্ৰয়াোজন নাই ।

**( খ ) মক্কাৰ দুৱাৰত চাহাব তিৰবেণীৰ ঘাট ।**
**বেহাব নাোৱাৰে তাত মায়াই ভেটে বাট ।**

**উত্তৰ:** উদ্‌ধৃত কাব্যাংশ আজান ফকিৰৰ ৰচিত ‘ জিকিৰ নামৰ কাব্যাংশৰ অন্তৰ্গত। কাব্যাংশত উল্লিখিত ‘ তিৰবেণী ঘাট ‘ কথাষাৰে মক্কা যে এখন পৱিত্ৰ তীৰ্থভূমি । তাকেই বুজাইছে । কিন্তু যাৰ অন্তৰত ধৰ্মভাব থাকে বা যিজনে আল্লাৰ দৰ্শন । পাব বিচাৰে তেওঁহে মক্কালৈ যাব বিচাৰে ।

আল্লা বা ভগৱানৰ সান্নিধ্য লাভ কৰিবলৈ মানুহে সংসাৰৰ মায়া – মাোহ ত্যাগ কৰিব পাৰিব লাগিব । কিন্তু সংসাৰৰ মায়া – মমাহে আমাক এনেদৰে আচ্ছন্ন কৰি ৰাখে যে ভগৱানৰ সান্নিধ্য লাভতকৈ মানুহে পাৰ্থিৱ সুখ – ভাোগতহে বেছিকৈ গুৰুত্ব দিয়ে । মানৱ জীৱন যে ক্ষণস্থায়ী । বা সংসাৰ যে দুদিনীয়া সেই কথা মানুহে কেৱল মায়াৰ বান্ধোনত বান্ধ খাই থাকে বাবেই উপলব্ধি নকৰে । কিন্তু প্ৰকৃত শান্তি কেৱল ভগৱানৰ চিন্তা কৰিহে লাভ কৰিব পাৰি ।

**গ ) সঁজাৰ মইনাটিৰ অনেক যুগুতি ।**
**দেও মাৰি পাৰ হ’লে এৰিলে পিৰীতি ।**

উত্তৰ: উদ্‌ধৃত কাব্যাংশ আজান ফকিৰৰ ৰচিত ‘ ‘জিকিৰ’ নামৰ কবিতাৰ অন্তৰ্গত । সংসাৰ মায়াৰে আৱৰা । সংসাৰৰ মায়াই আমাক এনেদৰে আৱৰি ৰাখে যে আল্লাৰ

চিন্তাতকৈ পাৰ্থিৱ সুখ – ভাোগতহে জীৱ ব্যস্ত হৈ পৰে । মানৱ জীৱনৰ ক্ষণস্থায়ীতাৰ কথা সেয়ে জীৱই পাহৰি যায় । কিন্ত মৃত্যুৰ লগে লগে পাৰ্থিৱ সুখৰ নমুনা স্বৰূপ সকলাে বস্তুৱেই হৈ পৰে মূল্যহীন ।

মৃত্যুৰ লগে লগে আত্মাই । শৰীৰ ত্যাগ কৰি সংসাৰ বন্ধনৰ পৰা মুক্ত হৈ আল্লাৰ ওচৰলৈ গুচি যায় । আত্মা দেহত থকালৈকেহে আমি জীৱন্ত । আত্মাহীন শৰীৰ মূল্যহীন । সেয়ে ক্ষন্তেকীয়া মানৱ জীৱনত অহংকাৰ ত্যাগ কৰি আল্লাৰ নাম স্মৰণ কৰি আত্মাৰ মুক্তি কামনা কৰাই জীৱৰ প্ৰধান কৰ্তব্য ।

**ভাব বিষয়ক :**

**সমাৰ্থক শব্দ লিখা:**

চিন্তো , ঘাট , পীৰিত , আচমান , দৰিয়াস পিয়াহ , বাট , ভেল ।

উত্তৰ : চিন্তো — ভাৱাে ।

ঘাট — নদীৰ পাৰ

পীৰিত — প্ৰীতি

আচমান — আকাশ , গগণ ।

দৰিয়া — সাগৰ , নদী

পিয়াহ — তৃষ্ণা ।

বাট — ৰাস্তা।

ভেল — মৃতদেহ।